*Total number of printed pages–7*

**63(FY) SEM–4/MIN(A)/ASSMMIN2034A**

**2025**

# ASSAMESE

[Minor(A)]

Paper : ASMMIN2034A

***(Assamese Poetry)***

*Full Marks : 70*

*Pass Marks : 28*

Time : Three Hours

***The figures in the margin indicate full marks for the questions.***

১। শুদ্ধ উত্তৰটো বাছি উলিওৱা ঃ ১×১০=১০

(ক) 'বিহুগীত' তলৰ কোনটো শ্ৰেণীৰ অন্তৰ্গত?

*(i)* আখ্যানমূলক গীত

*(ii)* অনুষ্ঠানমূলক গীত

*(iii)* কৰ্মবিষয়ক গীত

*(iv)* বাৰমাহী গীত

(খ) গোৱালপৰীয়া লোকগীতৰ সম্রাজ্ঞী —

(i) অনিন্দিতা পাল

(ii) অজন্তা গোস্বামী

(iii) প্রতিমা পাণ্ডে বৰুৱা

(iv) ধনদা পাঠক

(গ) 'চৰ্যাগীতিকোষ' পুথিখন কোনে 'চৰ্যাচৰ্য বিনিশ্চয়' নাম দিছিল?

(i) ড° সুনীতি কুমাৰ চট্টোপাধ্যায়

(ii) কীৰ্তিচন্দ্ৰ

(iii) আচাৰ্য মুনিদত্ত

(iv) হৰপ্রসাদ শাস্ত্ৰী

(ঘ) 'শ্ৰীকৃষ্ণ-কীৰ্তন' কাব্যখনৰ খণ্ড সংখ্যা কিমান?

(i) ১৩

(ii) ২২

(iii) ৩১

(iv) ১৮



(ঙ) উত্তৰ-পূৰ্ব ভাৰতৰ প্ৰান্তীয় ভাষাত লিখা প্ৰথমখন ৰামায়ণ —

(i) বাল্মীকি ৰামায়ণ

(ii) গীতি ৰামায়ণ

(iii) সপ্তকাণ্ড ৰামায়ণ

(iv) কথা ৰামায়ণ

(চ) মাধৱ কন্দলিয়ে পৃষ্ঠপোষকতা কৰা ৰজাজনৰ নাম

(i) ইন্দ্ৰ নাৰায়ণ

(ii) মখমাণিক্য

(iii) দুৰ্লভ নাৰায়ণ

(iv) নৰ নাৰায়ণ

(ছ) বৰগীতক কোনে 'Holy Song' আখ্যা দিছে?

(i) বাণীকান্ত কাকতি

(ii) কালিৰাম মেধি

(iii) দেবেন্দ্ৰ নাথ বেজবৰুৱা

(iv) মহেশ্বৰ নেওগ

(জ) 'মায়া অযোধ্যাৰ সৃষ্টি আৰু চিত্ৰাৱলী চতুৰ্দশীৰ খেলা' নামৰ কবিতাটো ক'ৰপৰা চয়ন কৰা হৈছে?

(i) বামন পুৰাণ

(ii) যামল সংহিতা

(iii) শূন্য-পুৰাণ

(iv) গীতি-ৰামায়ণ

(ঝ) শংকৰদেৱৰ বৰগীতৰ সংখ্যা —

(i) ২০

(ii) ৩৪

(iii) ৫৭

(iv) ৯১

(ঞ) 'কানখোৱা' কবিতাটি কি আৰ্হিত ৰচিত?

(i) গৰখীয়া গীত

(ii) নিচুকনি গীত

(iii) ওমলা গীত

(iv) আই-সবাহৰ গীত



২। চমুকৈ উত্তৰ লিখা ঃ *(যিকোনো পাঁচটা)* ২×৫=১০

(ক) বিহুগীতৰ ভাগ *দুটা* কি?

(খ) জিকিৰৰ ৰচক কোন? তেওঁৰ প্ৰকৃত নাম কি?

(গ) কামৰূপৰ দুগৰাকী চৰ্যাকাৰৰ নাম উল্লেখ কৰা।

(ঘ) ৰংপুৰ নগৰৰ বৰ্ণনা কোনে, কাৰ আগত দাঙি ধৰিছে?

(ঙ) বৰগীতত ব্যৱহাৰ হোৱা *দুটা* ৰাগৰ নাম উল্লেখ কৰা।

(চ) ৰাম সৰস্বতীৰ পিতৃদত্ত নাম কি? তেওঁ ৰচনা কৰা কাব্য এখনৰ নাম লিখা।

(ছ) 'আলো মাই কি কহব দুখ' বৰগীতটিৰ ৰচক কোন? কবিগৰাকীৰ বৰগীতৰ সংখ্যা কিমান?

৩। তলৰ *যিকোনো ছয়টা* প্ৰশ্নৰ উত্তৰ চমুকৈ লিখা ঃ ৫×৬=৩০

(ক) তোমাৰ পাঠ্যক্ৰমৰ অন্তৰ্গত ১০ নং চৰ্যাটিৰ গূঢ়াৰ্থ লেখকে কেনেভাৱে ব্যক্ত কৰিব বিচাৰিছে আলোচনা কৰা।

(খ) গোৱালপৰীয়া লোকগীতৰ *পাঁচটা* বৈশিষ্ট্য লিখা।

(গ) ৰংপুৰ নগৰখন দেখিবলৈ কেনেকুৱা বুলি কবিয়ে উল্লেখ কৰিছে, বৰ্ণনা কৰা।

(ঘ) বিহুগীতত অসমীয়া সমাজ জীৱনৰ চিত্ৰ কেনেদৰে ফুটি উঠিছে আলোচনা কৰা।

(ঙ) ‘চিত্ৰকূটৰ চিত্ৰ’ কবিতাটোত উপমাৰ প্ৰয়োগ কিদৰে কৰা হৈছে, বৰ্ণনা কৰা।

(চ) শ্ৰীধৰ কন্দলিৰ ‘কানখোৱা’ কবিতাটিক শিশু-সাহিত্য হিচাপে গণ্য কৰিব পাৰি নে নোৱাৰি, বিচাৰ কৰা।

(ছ) মহাপুৰুষ শংকৰদেৱ আৰু মাধৱদেৱৰ বৰগীতৰ এটি তুলনামূলক আলোচনা কৰা।

(জ) ‘হস্তীৰ কন্যা হস্তীৰ কন্যা’ গোৱালপৰীয়া লোকগীতটিৰ অন্তৰ্নিহিতভাব কেনেদৰে প্ৰকাশিত হৈছে লিখা।

(ঝ) কামৰূপী লোকগীত আৰু গোৱালপৰীয়া লোকগীতৰ মূল বিষয়বস্তু কি, তুলনামূলক আলোচনা কৰা।

৪। *যিকোনো দুটা* প্ৰশ্নৰ উত্তৰ কৰিবা ঃ ১০×২=২০

(ক) বনবাস কালত সীতাই কি কাৰণে মায়া অযোধ্যাৰ সৃষ্টি কৰিবলগা হৈছিল? মায়া অযোধ্যাৰ বৰ্ণনা কবিৰ ভাষাৰে ব্যক্ত কৰা।

(খ) শ্ৰীধৰ কন্দলিৰ ‘কানখোৱা’ কবিতাটোত শ্ৰীকৃষ্ণৰ মানৱীয় আৰু ঐশ্বৰিক দিশ কিদৰে ফুটি উঠিছে, বৰ্ণনা কৰা।

(গ) ‘ধৃতৰাষ্ট্ৰ-বিদুৰ সংবাদ’ কবিতাংশত ধৃতৰাষ্ট্ৰৰ পুত্ৰ-প্ৰেম আৰু বিদুৰৰ পঞ্চ-পাণ্ডৱৰ প্ৰতি থকা প্ৰেম কেনেদৰে প্ৰকাশ পাইছে, আলোচনা কৰা।



(ঘ) ‘চিত্ৰকূটৰ চিত্ৰ’ কবিতাটিৰ আধাৰত প্ৰকৃতিৰ বৰ্ণনাত কবিৰ বৰ্ণনা নৈপুণ্যৰ পৰিচয় দিয়া।

---